# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date : 04-04-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

ৰাজ্য চৰকাৰৰ কৰ্মচাৰী আৰু পেঞ্চনভোগীসকলৰ বাবে যোৱা ১ জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ অতিৰিক্ত ২ শতাংশ মৰগীয়া বানচ বৃদ্ধি কৰাৰ বাবে অসম চৰকাৰে সিদ্ধান্ত লৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কয়, যে অসম চৰকাৰে ৰাজ্যখনৰ চিকিৎসালয় আৰু চিকিৎসা মহাবিদ্যালয় হাস্পতালসমূহত দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ লোকসকললৈ উন্নতমানৰ স্বাস্থ্য সেৱা, বিশেষকৈ বিনামূলীয়া ঔষধৰ সুবিধা আগবঢ়োৱাৰ বাবে স্বাস্থ্য বিভাগলৈ ১৯০ কোটি টকা মঞ্জুৰ কৰিছে। সময়ৰ লগে লগে দুৰ্বল হৈ অহা ৰাজ্যৰ মথাউৰিসমূহৰ সুৰক্ষাৰ বাবে মথাউৰি নিৰীক্ষণ আৰু বান প্ৰস্তুতি সমিতি গঠনত আজিৰ মন্ত্ৰীসভাৰ বৈঠকত অনুমোদন জনোৱা হয়। আজিৰ বৈঠকত চাহ জনগোষ্ঠীৰ বাবেও কেতবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই অনুসৰি ৭৫০ কোটি টকা ব্যয়ৰে ৫০০ চাহ বাগিচাত নিৰ্মাণ কৰা মহাপ্ৰভু জগন্নাথ সামুহিক ভৱন তথা দক্ষতা কেন্দ্ৰৰ তত্বাৱধান আৰু সঠিক কাৰ্যকলাপ সুনিশ্চিত কৰণৰ বাবে এখন ব্যৱস্থাপনা সমিতি গঠন কৰা হ'ব। মন্ত্ৰীসভাৰ আজিৰ বৈঠকত জাগীৰোডত ১৪২ কোটি টকা ব্যয় সাপেক্ষ প্ৰায় এহেজাৰ কৰ্মৰত মহিলাৰ বাবে এটা অত্যাধুনিক হোষ্টেল নিৰ্মাণৰ বাবেও সিদ্ধান্ত গ্ৰহণ কৰা হয়। মন্ত্ৰীসভাই বিদেশী ন্যায়াধীকৰণত চলি থকা ২৮ হাজাৰ কোচ ৰাজবংশী লোকৰ গোচৰ তাৎক্ষণিকভাৱে প্ৰত্যাহাৰৰ সিদ্ধান্তও গ্ৰহণ কৰিছে।

ooooo

ৰাজ্যত অহা ২ আৰু ৭ মে'ত দুটা পৰ্যায়ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে মনোনয়ন দাখিল প্ৰক্ৰিয়া কালি আৰম্ভ হৈছে। ১১ এপ্ৰিললৈ মনোনয়ন পত্ৰ দাখিল কৰিব পৰা যাব। পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ লগে লগে নিৰ্বাচন হ'বলগীয়া অঞ্চলসমূহত নিৰ্বাচনী আচৰণ বিধি বলবৎ হৈছে।

নগাওঁ জিলাত অহা ৭ মে'ত অনুষ্ঠিত হবলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে জিলা দণ্ডাধীশ নৰেন্দ্ৰ কুমাৰ শ্বাহে ভাৰতীয় নাগৰিক সংহিতা ১৬৩ নম্বৰ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে।

যোৰহাট জিলাৰ আয়ুক্ত জয় শিৱানি আজি যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বালক বিদ্যালয়ত স্থাপন কৰিবলগীয়া ষ্ট্ৰং ৰূম পৰিদৰ্শন কৰে।

গোলাঘাট জিলাৰ আয়ুক্ত পুলক মহন্তই পঞ্চায়ত নিৰ্বাচনৰ আচৰণ বিধিৰ কথা উল্লেখ কৰি নিৰ্বাচন প্ৰক্ৰিয়াটো সুকলমে চলাই নিয়াৰ বাবে সকলোকে নীতি নিৰ্দেশনা মানি চলিবলৈ আহ্বান জনায়।

মৰিগাঁও জিলা প্ৰশাসনে সুস্থ আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ প্ৰয়াস অব্যাহত ৰাখিছে বুলি আজি জিলা আয়ুক্তই সংবাদ মাধ্যমক অৱগত কৰে।

দৰং জিলাতো অহা ৭ মে'ত দ্বিতীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতিয়ে এখন সংবাদ মেল সম্বোধন কৰি নিৰ্বাচনী আচৰণ বিধিৰ কথা ঘোষণা কৰে।

শ্ৰীভূমি জিলাত পঞ্চায়ত নিৰ্বাচন উপলক্ষে জিলা আয়ুক্তৰ কাৰ্যালয়ত এটা নিয়ন্ত্ৰণ কক্ষ মুকলি কৰা হৈছে।

বজালী জিলাতো পঞ্চায়ত নিৰ্বাচনৰ বাবে তৎপৰতা বৃদ্ধি পাইছে। আজি পাঠশালাৰ বিজেপিৰ জিলা কাৰ্যালয়ত এই উপলক্ষে আয়োজিত এখন সাংগঠনিক সভাত ৰাজ্যৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসকে ধৰি ভালেমান লোক উপস্থিত থাকে।

ooooo

ৰাভা-হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনত শাসনত অধিষ্ঠিত বিজেপি আৰু ৰাভা-হাচং যৌথ মঞ্চৰ প্ৰাৰ্থীয়ে নিশ্চিত সংখ্যাগৰিষ্ঠতা লাভৰ দিশত অগ্ৰসৰ হৈছে।

কামৰূপ জিলাৰ ১৪টা পৰিষদীয় সমষ্টিৰ ১০টাত ৰাভা যৌথ সংগ্ৰাম সমিতি, তিনিটা সমষ্টিত বিজেপি আৰু এটা সমষ্টিত নিৰ্দলীয় প্ৰাৰ্থীৰ বিজয় সুনিশ্চিত হৈছে।

গোৱালপাৰা জিলাৰ ১৯ টা পৰিষদীয় সমষ্টিৰ ভিতৰত ঘোষণা কৰা ১৪ টা সমষ্টিৰ ফলাফলত এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে ১২ খন, কংগ্ৰেছ আৰু নিৰ্দলীয়ই এখনকৈ আসনত জয়ী হৈছে।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি দুই মিনিটত ইয়াৰ দৃষ্টিপাত অনুষ্ঠানত বিশিষ্ট সাংবাদিক, আছাম টক্‌ছ চেনেলৰ মুখ্য সম্পাদক প্ৰাণজিৎ শইকীয়াৰ সৈতে এটা অগতানুগতিক সাক্ষাৎকাৰ প্ৰচাৰ কৰিব। সাক্ষাৎ গ্ৰহণ আৰু অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

ooooo

অসম কৃষি বিশ্ববিদ্যালয়ৰ ২৫ সংখ্যক সমাৱৰ্তন অহা ৯ এপ্ৰিলত যোৰহাটৰ মূল চৌহদত অনুষ্ঠিত হ'ব। এই সমাৱৰ্তনত অৰণ্য মানৱ যাদৱ পায়েং আৰু প্ৰকৃতিপ্ৰেমী গ্ৰীণ অস্কাৰ বিজয়ী পূৰ্ণিমা দেৱী বৰ্মনলৈ সন্মানীয় ডক্টৰেট ডিগ্ৰী প্ৰদান কৰা হ'ব। বিশ্ববিদ্যালয়ৰ মাধৱ চন্দ্ৰ দাস সোঁৱৰণি প্ৰেক্ষাগৃহত হ'বলগীয়া কাৰ্যসূচীত বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ৯ খন মহাবিদ্যালয়ৰ স্নাতক আৰু স্নাতকোত্তৰ  ডিগ্ৰীৰ লগতে পি এইচ ডি লাভ কৰা ৫৪৮ গৰাকী শিক্ষাৰ্থীক আনুষ্ঠানিকভাৱে ডিগ্ৰী প্ৰদান কৰা হ'ব।

ooooo

যোৰহাট জিলাৰ টিয়ক ৰবিগাঁও নিবাসী বৰ্তমান পশ্চিম যোৰহাটৰ এক নম্বৰ লখিমী নগৰ নিবাসী নৰেন গগৈৰ আজি যোৰহাটৰ এখন চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৪ বছৰ।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌত অনুষ্ঠিত খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে-মুম্বাই ইণ্ডিয়ানছক জয়ৰ বাবে ২০৪ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত অভাৰত ৮ টা উইকেট হেৰুৱাই ২০৩ ৰাণ সংগ্ৰহ কৰিছে।

ooooo

সমাপ্ত